This Question Paper consists of 27 questions and 4 printed pages.

Roll No. | | | | | | | | | | | | |  Code No. 54/S/A/A

Set-A

# ASSAMESE

# (অসমীয়া)

# (228)

Day and Date of Examination ____________________

Signature of Invigilators 1. ____________________

2. ____________________

## সাধাৰণ নিৰ্দেশাৱলী ঃ

1 প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2 পৰীক্ষাৰ্থীয়ে প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3 বস্তুনিষ্ঠ প্ৰশ্নৰ ক্ষেত্ৰৰ (A), (B), (C), (D) বিকল্প সমূহৰ পৰা যি কোনো এটা শুদ্ধ উত্তৰ বাছি বেলেগে দিয়া উত্তৰ বহীত তাক চিহ্নিত কৰিব ।

4 বস্তুনিষ্ঠ প্ৰশ্ন সহিতে সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব । বস্তুনিষ্ঠ প্ৰশ্নৰ বাবে বেলেগে কোনো অতিৰিক্ত সময় দিয়া নহব ।

5 নিৰ্দিষ্ঠ স্থানত বাহিৰে প্ৰশ্ন - উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্ত কৰণৰ যিকোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

6 উত্তৰ বহীত প্ৰশ্ন কাকতৰ সাংকেতিক সংখ্যা Code No. **54/S/A/A-A** উল্লেখ কৰিব ।

# ASSAMESE

(অসমীয়া)

**(228)**

সময় : 3 ঘণ্টা ] [পূৰ্ণমান : 100

---

নিৰ্দেশ ঃ সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় ।

সাধাৰণ নিৰ্দেশাৱলী ঃ

(1) পৰীক্ষাৰ্থীয়ে প্ৰতিটো প্ৰশ্নৰ তলত দিয়া স্থানত উত্তৰ লিখিব লাগিব । যদি উত্তৰ লিখাৰ স্থান কম হয় তেনে হলে শেষত দিয়া অতিৰিক্ত পৃষ্ঠাৰ প্ৰথমতেই প্ৰশ্ন নং লিখিব লাগিব ।

(2) বহুমুখী (Multiple Choice) প্ৰশ্নৰ ক্ষেত্ৰত পৰীক্ষাৰ্থীয়ে বিকল্প বিলাকৰপৰা সঠিক উত্তৰ বাছিব লাগিব আৰু (A), (B), (C) অথবা (D) ৰ ভিতৰত যিটো সঠিক সেইটো প্ৰশ্নৰ সন্মুখত দিয়া বাকচত লিখিব লাগিব ।

(3) পৰীক্ষাৰ্থীয়ে একমাত্ৰ ফ্লেপৰ (Flap) নিৰ্দিষ্ট স্থানত নিজৰ ৰোল নং, নাম, পৰীক্ষা কেন্দ্ৰ সংখ্যা লিখিব লাগিব ।

---

1 কবিৰ ভাগৰুৱা আত্মাই কাৰ ছায়াত জিৰাব বুলি কৈছে ? 1

2 মোৰ দেশ কবিতাটিৰ কবিগৰাকীৰ নাম লিখা । 1

3 'কেতেকী' কবিতাটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ? 1

4 লোভ-মোহক কিহৰ লগত তুলনা কৰা হৈছে ? 1

5 খুনুচাৰ পুতেকৰ নাম কি ? 1

6 কোন চনত কম্পিউটাৰ ভাৰতলৈ আহে ? 1

7 'মুচি' শব্দটোৰ অৰ্থ লিখা । 1

8 কনমাইৰ লৰাটোৱে কি কাম পাইছে ? 1

9 টিংখং কোনে বজাইছিল ? 1

10 ভাৰতবৰ্ষত কিমানটা সংবিধান স্বীকৃত ভাষা আছে ? 1

11 কবিয়ে আকাশৰ তৰা হব খোজাৰ কাৰন কি ? 2

12 খুনুচাৰ ভাগ্য আগতে কেনেকুৱা আছিল ? 2

13 মানবীয় মূল্যবোধ কি ? 2

14 ''বিটি ফুলে হাঁহি আজি 3

ফুলনি ফুলাই তোলে

কালিলৈ পাহি মেলি নেহাঁহে দুনাই'' ফুলনি ফুলাই তোলা ফুলটিয়ে কালিলৈ নেহাঁহাৰ কাৰন কি ?

15 তুলাৰাম কোন ? একালত তুলাৰামৰ কি কি গুনে সকলোৰে মনত বিভীষিকাৰ সন্চাৰ কৰিছিল ? 3

16 পৰিবেশ মানে কি বুজাই লিখা । 3

17 প্ৰসংঙ্গ সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5×2=10

(ক) আবেলি আহিলে ধীৰে
আন্ধাৰৰ আৱৰনে
জগতৰ জেউতি কমায়
বিষাদ কালিমা সানি
জীৱন বীনত হেৰা
সিন্ধয়াৰ পূৰবীৰ ৰাগিনী বজায়,
অতীতৰ স্মৃতি সোঁৱৰাই ।

(খ) সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইট কেইডালত নাই ।

18 'জনমভূমি' নাইবা 'জীৱন-জেউতি' কবিতাটিৰ মূলভাৱ লিখা । 6

19 'মাটি প্ৰদূষন' সম্পৰ্কে চমুকৈ বুজাই লিখা । 5

20 ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ শৈশৱকাল সম্পৰ্কে চমুকৈ লিখা । 4

21 তোমাৰ অন্চলৰ পানী-যোগানৰ সমস্যাৰ কথা জনাই বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা । 8

22 এটা শব্দত প্ৰকাশ কৰা : (যিকোনো 5 টা) 1×5=5

একে মাকৰ সন্তান, বিদেশৰ পৰা অহা লোক, যিয়ে অকলে নিজৰ সাৰ্থৰ কথা ভাবে, যিয়ে নিয়ম মতে খৰচ কৰে, যাৰ সীমা নাই, যাৰ ধাৰ আছে ।

23 বাক্য ৰচনা কৰা : (যিকোনো 5 টা) 1×5=5

কপাল ফুলা, আপুৰুগীয়া, হাত-দীঘল, চকু-চৰহা, লালিত-পালিত, নোহোৱা-নোপোজা, ওজৰ-আপত্তি ।

24 সন্ধি ভাঙ্গা আৰু জোৰা লগোৱা : (যিকোনো 5 টা) 1×5=5

চলাচল, পৰীক্ষা, গিৰীশ,

নিঃ + ৰোগ, উৎ + লেখ, সম্ + কৃত ।

25 বিপৰীতাৰ্থক শব্দ লিখা : (যিকোনো 5 টা) 1×5=5

ধনী, শত্ৰু, প্ৰদেশ, সুখ, সৃষ্টি, আশা ।

26 ভাৱ সম্প্ৰসাৰণ কৰা : (যিকোনো দুছোৱা) 6×2=12

(ক) দূৰৈৰ পাহাৰ দৈখিবলৈ শুৱনি

(খ) মিছা কথাৰ ঠেং চুটি

(গ) জ্ঞান এক অভেদ্য দুৰ্গ ।

27 তলৰ যিকোনো এটা বিষয় বাছিলৈ এখন ৰচনা লিখা : 10

মোৰ প্ৰিয় গ্ৰন্থ, জীৱনৰ লক্ষ্য, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, পুথিভৰাল ।